# অসমচৰকাৰ
# উপায়ুক্তকাৰ্য্যালয়দৰং :: মঙ্গলদৈ
# (মীনশাখা)

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা যায় যে, দৰং জিলাৰ মঙ্গলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৫ নং ভেৰপৰি মীন মহলখন পুনৰ বন্দৰস্তীৰ বাবে ইং ১৭/০৮/২০২০ তাৰিখৰ পৰা ইং ০৩/০৯/২০২০ লৈ দিনৰ ১১.০০ বজাৰ পৰা দিনৰ ৩.০০ বজালৈ নিবিদা গ্ৰহণ কৰা হব বুলি জাননী জাৰি কৰা হ'ল। ইং ০৫/০৯/২০২০ তাৰিখে দিনৰ ১২.০০ বজাত নিবিদাকাৰীৰ সন্মুখত নিবিদা সমূহ খোলা হব । সেয়ে মীন মহলখন বন্দৰস্তীৰ বাবে ৮.২৫ টকাৰ আদালতৰ মোহৰযুক্ত নিবিদা আহ্বান কৰা হ'ল।

## তলত উল্লেখ কৰা স্বৰ্ত সাপেক্ষে মীন মহলখন বন্দৰস্তী দিয়া হব:

১) অসম মীন (সংশোধিত) নিয়মাৱলী, ২০০৫ ৰ নিয়ম ১২ অনুসৰি মীন মহলখনৰ ওচৰৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে ১০০ শতাংশ প্ৰকৃত মাছমৰীয়া লোকেৰে গঠিত অনুসূচীত জাতি বা মাইমল সম্প্ৰদায় (কাছাৰ জিলাৰ) ৰ মীন সমবায় সমিতি, আত্ম সহায়ক গোট, এন. জি. অ. ই নিবিদা দিব পাৰিব।

২) নিবিদা কাৰী সংশ্লিষ্ট জিলাৰ আৰু মীন মহলখনৰ ওচৰৰ স্থায়ী বাসিন্দা হব লাগিব।

৩). নিবিদা, জিলা উপায়ুক্তৰ কাৰ্য্যালয়ত নিৰ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হব।

৪) ইচ্ছুক নিবিদাকাৰীয়ে কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্ধাৰিত সময় সূচীমতে নিৰ্ধাৰিত বাকচত নিবিদা জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহণ কৰা নহ'ব।

## তলত উল্লেখ কৰা প্ৰমাণ পত্ৰ সমূহ সংলগ্ন কৰি নিবিদা দাখিল কৰিব লাগিব:

ক) ১০০% প্ৰকৃত মাছ মৰীয়া অথবা অনুসূচীত জাতি বা মাইমল সম্প্ৰদায় কাছাৰ জিলাৰ (সংশ্লিষ্ট বিভাগৰ পৰা প্ৰত্যায়িত প্ৰমাণ পত্ৰৰ প্ৰতিলিপি) মীন সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.অ. হোৱাৰ (প্ৰতিজন সদস্যৰ) প্ৰমাণ পত্ৰ, সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়কৰ দ্বাৰা স্বাক্ষৰিত।

খ) নিজস্ব ৰাজহ চক্ৰৰ পৰা স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ। ( উক্ত মীন মহলখনৰ পৰা মীন সমবায় সমিতি, আত্ম সহায়ক গোট, এন.জি.অৰ প্ৰকৃত দূৰত্ব উল্লেখ কৰিব লাগিব )।

গ) জিলা মীন উন্নয়ণ বিষয়াৰ পৰা মাছ মৰাৰ অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ।

ঘ) জিলা উপায়ুক্তৰ পৰা বাকীজাই মুক্ত প্ৰমাণ পত্ৰ।

ঙ) নিবিদা কাৰীয়ে আগবঢ়োৱা ১ম বছৰৰ ৰাজহৰ ১৫ শতাংশ ৰাজহ জমা দিয়া কল ডিপজিতৰ - নং, তাৰিখ, টকাৰ পৰিমাণ আৰু বেঙ্কৰ নাম।

চ) মীন সমবায় সমিতিৰ পঞ্জীয়ন প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি।

ছ) পাণ কাৰ্ড (মীন সমবায় সমিতি,আত্ম সহায়ক গোট, এন.জি.অ.ৰ নামত থকা)।

জ) মীন সমবায় সমিতিৰ হৈ নিবিদা দিয়াৰ কৰ্তৃত্ব প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটো কপি গাঠি দিব লাগিব।

ঞ) মীন সমবায় সমিতিৰ তিনি (৩) বছৰৰ হিচাব পৰীক্ষাৰ নথী-পত্ৰ আৰু লাভ-লোকচানৰ হিচাবৰ প্ৰতিলিপি।

ট) আয়কৰ মুক্ত প্ৰমাণ পত্ৰ।

ঠ) নিবিদাকাৰীয়ে বন্ধ খামৰ ওপৰত বন্দৰস্তী পাব বিচৰা মীন মহলৰ নাম উল্লেখ কৰিব আৰু নিৰ্ধাৰিত বাকচত নিবিদা জমা দিব লাগিব।

ক্ৰমশ:

ড) গৃহীত নিবিদাকাৰীয়ে নিৰ্ধাৰিত বাৰ্ষিক ৰাজহৰ ওপৰত পিছৰ বছৰ কেইটাত প্ৰতি বছৰে চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি অতিৰিক্ত মীন ৰাজহ আদায় দিব লাগিব ।

ঢ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ/ বেঙ্কাৰচেক/বেঙ্কাৰ ড্ৰাফট।

ণ) যি কোনো কাৰণত নিবিদা বাতিল কৰাৰ পূৰ্ণ অধিকাৰ নিম্ন স্বাক্ষৰকাৰীৰ থাকিব আৰু ইয়াৰ বাবে কোনো কাৰণ দৰ্শোৱাৰ বাবে বাধ্য নাথাকিব।

| বন্দৰস্তী দিবলগীয়া মীন মহলৰ নাম | কোন পৰ্য্যায়ৰ অন্তৰ্গত | চৰকাৰী ৰাজহ | কোন তাৰিখৰ পৰা বন্দৰস্তী দিয়া |
|---|---|---|---|
| ১৫ নং ভেৰপৰি মীন মহল | ৪০% | **৬৮,৩৪০.০০টকা** | যিতাৰিখতচৰকাৰে বন্দৰস্তী দিয়ে |

স্বাক্ষৰ

(দিলীপ কুমাৰ বড়া, ভা: প্ৰ: সে:)

উপায়ুক্ত,

দৰং :: মঙ্গলদৈ

স্মাৰক নং-ডি আৰ এফ-২৩/৮৪-৮৭//পিটি/১৬৯ তাৰিখ:১৩/০৮/২০২০

প্ৰতিলিপি জ্ঞাতাৰ্থে ও কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হ'ল :-

১) মূখ্য কাৰ্য্যবাহী বিষয়া, দৰং জিলা পৰিষদ,মঙ্গলদৈ।

২) চক্ৰ বিষয়া, মঙ্গলদৈ ৰাজহ চক্ৰ। এই জাননীখন মীন মহলৰ পাৰবাসী ৰাইজৰ মাজত বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ তেখেতক অনুৰোধ জনোৱা হ'ল।

৩) জিলা মীন উন্নয়ণ বিষয়া,দৰং, মঙ্গলদৈ। বহুল প্ৰচাৰৰ বাবে।

৪) সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়ক/উপ-পঞ্জীয়ক, মঙ্গলদৈ। বহুল প্ৰচাৰৰ বাবে।

৫) খণ্ড উন্নয়ণ বিষয়া, মঙ্গলদৈ উন্নয়ণ খণ্ড। বহুল প্ৰচাৰৰ বাবে।

৬) জিলা তথ্য-প্ৰযুক্তি বিষয়া, ৰাষ্ট্ৰীয় তথ্য-প্ৰযুক্তি বিজ্ঞান কেন্দ্ৰ। বহুল প্ৰচাৰৰ বাবে।

৭) জিলা তথ্য ও জন-সম্পদ ৰক্ষী বিষয়া, দৰং, মঙ্গলদৈ। বাতৰিকাকত ও অন্যান্য মাধ্যমৰ জৰিয়তে বহুল প্ৰচাৰৰ বাবে।

৮) উপায়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

অতিৰিক্ত উপায়ুক্ত (ৰাজহ),

দৰং :: মঙ্গলদৈ ১৩/০৮/২০২০

-------